**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-08-2026
**Time :** 9-25 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ধেমাজি জিলাৰ গোগামুখৰ অসম-অৰুণাচল সীমান্তৱৰ্তী মিংমাং বদতিত সংঘটিত গুলীচালনাৰ ঘটনাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত আজি সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই ধেমাজিৰ বিধায়ক তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি কেইবাটাও সংগঠনৰ প্ৰতিনিধিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ধেমাজি জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত আটাছু, টাইপা, বীৰ লাচিত সেনা, অসম জাতীয়তাবাদী যুৱ সন্মিলন, অসম জাতীয়তাবাদী যুৱ পৰিষদ, সোণোৱাল কছাৰী ছাত্ৰ সন্থা, ঐক্যমঞ্চ আৰু অসমীয়া যুৱ মঞ্চকে ধৰি বহুকেইটা সংগঠনৰ প্ৰতিনিধিৰ লগতে চিচিবৰ গাঁৱৰ বিধায়ক জীৱন গগৈ আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীবৰাই কয় যে অসম চৰকাৰে ইতিমধ্যে অৰুণাচল প্ৰদেশৰ সৈতে আলোচনাৰ মাধ্যমেৰে সীমা সমস্যা সমাধানৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। অসম আৰক্ষীয়েও ঘটনাটোৰ বাবে দায়ী ব্যক্তিসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৱেও এই ঘটনাৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৰাই সীমান্ত অঞ্চলত শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰাখি দল-সংগঠনসমূহক প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজত শান্তি, সম্প্ৰীতি আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক অক্ষুণ্ণ ৰখাৰ বাবে সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

বাইট (অতুল বৰা)

এই বৈঠকৰ পাছতে মিচিং ছাত্ৰ সংগঠন, টি এম পি কেই অৰুণাচলৰ বিৰুদ্ধে কালিৰে পৰা গ্ৰহণ কৰা অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ঘোষণা কৰিছে।

ooooooo

কৃষি মন্ত্ৰী পীযুষ হাজৰিকাই আজি কামৰূপ মহানগৰৰ ক্ষেত্ৰীত থকা ইণ্ডো-ইজৰাইল পাচলি উৎকৃষ্টতা কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰটোৰ সামগ্ৰিক অগ্ৰগতি তথা অনাগত দিনৰ কামকাজৰ বুজ লয়। তেওঁ লগতে অসমত উদ্যান শস্য খণ্ডক নতুন গতি প্ৰদানৰ লক্ষ্যৰে জনবায়ু নিয়ন্ত্ৰিত পুলি উৎপাদন কেন্দ্ৰ আৰু অত্যাধুনিক সেউজ গৃহৰ আন্তঃগাঁথনি পৰিদৰ্শন কৰি মাটি নোহোৱাকৈ উৎপাদন কৰা বিলাহী, কেপচিকাম, তিয়ঁহৰ দৰে বাণিজ্যিক শস্য উৎপাদন সন্দৰ্ভত আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ বিকাশৰ দিশত ক্ষিপ্ৰতাৰে কাম আগুৱাই নিবলৈ সংশ্লিষ্ট বিষয়া তথা বিশেষজ্ঞসকলক আহ্বান জনায়। উল্লেখযোগ্য যে, উত্তৰ-পূব আৰু হিমালয় পাদদেশীয় ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযানৰ অধীনত স্থাপন কৰা এই কেন্দ্ৰই অত্যাধুনিক আৰু সুৰক্ষিত কৃষি পদ্ধতি,

উচ্চ উৎপাদন ক্ষমতা আৰু ৰোগমুক্ত পুলি যোগানেৰে ৰাজ্যৰ কৃষকসকলক সৱল কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

০০০০০০০

ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে আজি জিলাখন ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰথমে ধুবুৰী-গৌৰীপুৰ জিলা উন্নয়ন প্ৰাধিকৰণ কাৰ্যালয় উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ সকলো বিভাগৰ মূৰব্বীসকলৰ সৈতে এখন পৰ্যালোচনা সভাত অংশ লয়। শ্ৰী সিংহলে জলজীৱন মিছনৰ অধীনত বিদ্যালয়সমূহত স্থাপন কৰা আইৰণ ফিল্টাৰসমূহ নিয়মীয়াকৈ পৰিষ্কাৰ কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগক নিৰ্দেশ দিয়ে। সমাজকল্যাণ বিভাগৰ অধীনত জিলাখনত ৰূপায়ণ হোৱা এহেজাৰ ৫২৪ টা আঁচনিৰ ভিতৰত ৩৩৭ টা আঁচনিহে কাৰ্যক্ষম হোৱাক লৈ মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত জিলা আয়ুক্তক নিয়মীয়াকৈ প্ৰকল্পৰ কামসমূহ নিৰীক্ষণ কৰি শীঘ্ৰে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে জলজীৱন মিছনৰ কামকাজ নিৰীক্ষণৰ বাবে এটা কাৰ্যবাহিনী গঠন কৰিবলৈও জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰী সিংহলে এই ভ্ৰমণকালত কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, কোঁচ ৰাজবংশী সাহিত্য সভা আৰু কোঁচ ৰাজবংশী সন্মিলনৰ প্ৰতিনিধিসকলৰ সৈতে সাক্ষাৎ কৰে। তেওঁ ধুবুৰী নগৰত অনুষ্ঠিত তিৰংগা যাত্ৰাটো অংশগ্ৰহণ কৰে।

০০০০০০০

যশস্বী সাহিত্যিক, কেইবাখনো ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰ পৰিচালক ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ ২৩ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি পাঠশালাৰ জ্যোতি নগৰৰ আবাহনৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। আবাহন কীডছৰ উদ্যোগত আৰু আবাহন যোগৰ সহযোগত আয়োজিত অনুষ্ঠানত আবাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয়ে সাহিত্যিকগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত ভ্ৰাম্যমাণ থিয়েটাৰক মৰ্যাদাপূৰ্ণ আসনত অধিস্থিত কৰোৱাত ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ অৱদান তথা পাণ্ডিত্যৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত বিশিষ্ট নিবন্ধকাৰ পুলু কুমাৰ শৰ্মাই কয়, যে অসমৰ জাতীয় জীৱনৰ পুৰোধা ড০ শইকীয়াই সাহিত্য-সংস্কৃতি, বিজ্ঞান, চলচ্চিত্ৰ সকলো ক্ষেত্ৰতে অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। উল্লেখযোগ্য যে, আবাহন থিয়েটাৰৰ সৈতে ১৯৮১ চনৰ পৰা ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা ড০ শইকীয়াই থিয়েটাৰখনৰ বাবে ২৬ খন নাটক ৰচনা কৰিছিল।

সাহিত্যিকগৰাকীৰ সপোনৰ প্ৰকল্প আৰোহণতো আজি বিভিন্ন কাৰ্যসূচীৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০০

কোকৰাঝাৰ জিলাৰ নাৰাবাৰীত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হয়। কোকৰাঝাৰ টাউন অভিমুখে এখন মটৰ চাইকেলেৰে গৈ থকা অৱস্থাত এখন তীব্ৰবেগী চাৰিচকীয়া বাহনে খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। মৃত যুৱকজন বাগুলামাৰী গাঁৱৰ শক্তিমান সূত্ৰধাৰ বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ